# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-07-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - - -**

বান ক্ষতিগ্ৰস্ত অসমত সাহায্য আৰু পুনৰসংস্থাপনত সহায় হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰেই বিশেষ পেকেজ ঘোষণা কৰিব বুলি কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি গুৱাহাটীত প্ৰকাশ কৰিছে। উত্তৰ-পূবৰ শক্তি আৰু নগৰ উন্নয়ন মন্ত্ৰীসকলৰ সৈতে গুৱাহাটীত আয়োজিত বৈঠকত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয় যে ৰাজ্যখনত বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন অব্যাহত আছে আৰু প্ৰধানমন্ত্ৰীয়ে এই মূল্যায়ন সম্পন্ন হোৱাৰ পাছতেই পেকেজ ঘোষণা কৰিব।

ইফালে, ৰাজ্যত বানৰ প্ৰকোপ সামান্য হ্ৰাস পাইছে যদিও এতিয়াও ২৭খন জিলাৰ ৯১টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ১০০ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ১৮ লাখ ৮০ হাজাৰতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ দুজন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বান ত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৪লৈ বৃদ্ধি হৈছে। যোৱা দুদিন ধৰি বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত কোনো কোনো অঞ্চলত পানী কিছু হ্ৰাস পাইছিল যদিও আজি দিনৰ ভাগত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত পুনৰ বান পৰিস্থিতিৰ সৃষ্টি হয়। ৰাজ্যখনৰ বিভিন্ন জিলা প্ৰশাসনে স্থাপন কৰা ২৪৫টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

বিশেষকৈ শিৱসাগৰ, কামৰূপ, নগাঁও, ডিব্ৰুগড়, নলবাৰী আৰু গোৱালপাৰা জিলাত এতিয়াও বান পৰিস্থিতি জটিল হৈ আছে। আনহাতে ৪৯ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি পানীয়ে বুৰাই পেলাইছে। বান বিধবস্ত অঞ্চলত এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে সাহায্য আৰু উদ্ধাৰ অভিযান চলাই আছে। এন ডি আৰ এফৰ দলে কাচাৰ, বৰপেটা, বঙাইগাঁও, ডিব্ৰুগড় আৰু যোৰহাট জিলাত অভিযান অব্যাহত ৰখাৰ লগতে এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ আপদামিত্ৰৰ স্বেচ্ছাসেৱকসকলে অন্যান্য অঞ্চলসমূহত সহায় আগবঢ়াইছে।

কেন্দ্ৰীয় জল আয়োগৰ তথ্য অনুসৰি যোৰহাটৰ নিমাতীঘাট, তেজপুৰ, গুৱাহাটী আৰু ধুবুৰীত এতিয়াও ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। একেদৰে বুঢ়ীদিহিং, দিখৌ, দিচাং, কপিলী আৰু কুছিয়াৰা নৈৰ পানীও বিপদসীমাৰ ওপৰত আছে।

চৰকাৰে বান ক্ষতিগ্ৰস্ত জনতাক সহায়ৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে স্বাস্থ্য শিবিৰ মুকলি কৰিছে।

যোৰহাট জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি বান ক্ষতিগ্রস্ত ৰাইজৰ বাবে চিকিৎসা শিবিৰ মুকলি কৰা হয়। নিমাতী অঞ্চলৰ ৰাইজৰ সহায় হোৱাকৈ বৰআলি ৰংগমঞ্চত আয়োজিত এই শিবিৰত চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰি ঔষধ বিতৰণ কৰা লহয়। শোণিতপুৰ জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন অঞ্চলৰ চৰণীয়া পথাৰসমূহ বানত বুৰ গৈ থকাত পশু খাদ্যৰ নাটনি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ পশু চিকিৎসা বিভাগে আজি চতিয়াত পশু খাদ্য বিতৰণ কৰে। কৰিমগঞ্জ জিলাৰ কেইবাটাও অঞ্চল বানত বুৰ গৈ আছে। জিলাখনৰ ৬০টা অঞ্চল বানত ক্ষতিগ্রস্ত হৈছে। ৪৩টা আশ্ৰয় শিবিৰত ৩ হাজাৰ ৫০০ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

ইফালে, গোৱালপাৰা জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও জিলাখনলৈ এতিয়াও স্বাভাৱিক অৱস্থা ঘূৰি অহা নাই। জিলাখনৰ ২৭৪খন গাঁও বানৰ কবলত থকাৰ লগতে ৮০ হাজাৰৰো অধিক লোক ক্ষতিগ্রস্ত হৈছে। প্ৰশাসনে ১২টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা ৩ হাজাৰ ৪০০ৰো অধিক লোকক বান সাহায্য আৰু বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লগতে স্বাস্থ্য শিবিৰ মুকলি কৰিছে।

ooooo

পৰিবহণ আৰু আবকাৰী বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰত বানত ডুবি মৃত্যু হোৱা ৰজনী বৈষ্ণৱ নামৰ লোকজনৰ পৰিয়াললৈ ৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। হাতীমুৰা মথাউৰিত স্থাপিত শিবিৰত আশ্ৰয় লৈ থকা পৰিয়ালটোৰ কাষত উপস্থিত হৈ তেওঁ এই আৰ্থিক সাহায্য আগবঢ়ায়।

ooooo

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি জাগীৰোডত বান পৰিস্থিতি পৰিদৰ্শন কৰাৰ লগতে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বান ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰীহাজৰিকাই কয় যে, ৰাজ্যত বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ কোটি টকা সাহায্য প্ৰদান কৰিছে। পাঁচ বছৰৰ বাবে বহুপাক্ষিক প্ৰতিষ্ঠানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ৫ হাজাৰ কোটি টকাৰ ঋণৰ ১০ শতাংশহে ৰাজ্য চৰকাৰে দিব লাগিব বুলি তেওঁ লগতে প্ৰকাশ কৰে। বান প্ৰতিৰোধী বিভিন্ন কামৰ বাবে ৰাজ্য চৰকাৰে বছৰি এহেজাৰ কোটি টকা ব্যয় কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, পৰ্যায়ক্ৰমে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ হৈছে। আনহাতে ৰাজ্যৰ বান পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যৰ বিজেপি চৰকাৰ দায়ী বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, কংগ্ৰেছৰ শাসনকালত বান আৰু খহনীয়া ৰোধৰ বাবে বছৰি মাত্ৰ আঢ়ৈশ কোটি টকাহে খৰচ কৰিছিল।

ooooo

সমাপ্ত